# 2022

## ASSAMESE

Paper : ASM–HC–4036

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) 'ৰুক্মিণী হৰণ' নাটকত ৰুক্মিণীয়ে শ্ৰীকৃষ্ণৰ ওচৰলৈ পঠোৱা দূতজনৰ নাম কি আছিল ?

(খ) ''নন্দ যশোদাৰ কলহ''—ইয়াত 'কলহ' শব্দৰ অৰ্থ কি ?

(গ) মাধৱদেৱে ৰচনা কৰা নাটকক কি বুলি কোৱা হয় ?

(ঘ) ভট্টদেৱৰ আচল নাম কি ?

(ঙ) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটিৰ মূল ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে ?

(চ) 'অদ্ভূদ ৰামায়ণ' কোনে ৰচনা কৰিছিল ?

(ছ) যুদ্ধাদিত্য কোন আছিল ?

(জ) 'কথা গুৰু চৰিত' প্ৰথমে কোনে সম্পাদনা কৰি উলিয়াইছিল ?

(ঝ) শংকৰদেৱ আৰু মাধৱদেৱৰ 'মণিকাঞ্চন সংযোগ' ক'ত ঘটিছিল ?

(ঞ) অসমত বুৰঞ্জী লিখা প্ৰথা প্ৰথমতে কোনে আৰম্ভ কৰিছিল ?

(ট) 'বাঁহ গড়ীয়া বুৰঞ্জী'ৰ প্ৰণেতা কোন ?

(ঠ) অসমীয়া লিপিৰ মূল কি ?

(ড) 'ঘোঁৰা নিদান' কোনে ৰচনা কৰিছিল ?

(ঢ) ৰামসিংহ কোন আছিল ?

(ণ) বকুল কায়স্থই ৰচনা কৰা যি কোনো এখন ব্যৱহাৰিক সাহিত্য-পুথিৰ নাম লিখা।

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'বড়াৰ পো' বুলি কোনে, কাক সম্বোধন কৰিছিল ?

(খ) চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি প্ৰথমতে কোনে পাঠ উদ্ধাৰ কৰি, ক'ত প্ৰকাশ কৰিছিল ?

(গ) 'হস্তিবিদ্যাৰ্ণৱ পুঁথি'ৰ ছবিবোৰ কোন দুগৰাকী শিল্পীয়ে অংকন কৰিছিল ?

(ঘ) শংকৰোত্তৰ যুগৰ যি কোনো দুটা সাহিত্যিক ধাৰাৰ নাম লিখা।





(ঙ) 'বুৰঞ্জী' শব্দৰ অৰ্থ ব্যাখ্যা কৰা।

(চ) ৰুক্মিণীৰ পিতৃ-মাতৃৰ নাম কি কি আছিল ?

(ছ) অসমীয়া ভাষাৰ দুখন মন্ত্ৰপুথিৰ নাম লিখা।

(জ) "সতিনীৰ চেড়ীতো অধিক ভৈলি।" কথাষাৰ কোনে, কাক কৈছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) মাধৱদেৱৰ নাট্যকৃতি সম্পৰ্কে এটি পৰিচয়মূলক টোকা যুগুত কৰা।

(খ) বুৰঞ্জী সাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি ?

(গ) চৰিত পুথিৰ গদ্য সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা।

(ঘ) 'ৰুক্মিণী হৰণ' নাটৰ অন্তৰ্গত 'ৰুক্মিণীৰ প্ৰেমপত্ৰ'খনৰ যোগেদি ৰুক্মিণী চৰিত্ৰৰ কোনবোৰ দিশ উজ্জ্বলি উঠিছে, চমুকৈ লিখা।

(ঙ) গোপালচৰণ দ্বিজে তিনি প্ৰকাৰৰ গুৰুৰ বিষয়ে কেনেধৰণৰ ব্যাখ্যা আগবঢ়াইছে, লিখা।

(চ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা, চমুকৈ লিখা।

(ছ) পুৰণি অসমীয়া যি কোনো পাঁচখন লিপিৰ নাম উল্লেখ কৰা।

(জ) অৰ্জুনৰ মনলৈ কি কি কাৰণত বিষাদ নামি আহিছিল ?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'ৰামৰ বন গমন' পাঠৰ আধাৰত ৰাম চৰিত্ৰটোৰ এটি সামগ্ৰিক আলোচনা আগবঢ়োৱা।

(খ) 'অৰ্জুন ভঞ্জন নাট'ৰ অন্তৰ্গত 'নন্দ যশোদাৰ কলহ' অংশটোৰ কথাখিনি নিজৰ ভাষাৰে খৰচি-মাৰি লিখা।

(গ) অংকীয়া নাটৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? প্ৰতিটো বৈশিষ্ট্যৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(ঘ) অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সন্দৰ্ভত এটি আলোচনা যুগুত কৰা।

(ঙ) চন্দ্ৰকান্ত সিংহ স্বৰ্গদেউৰ গোপনীয় পত্ৰৰ গদ্যৰীতি সন্দৰ্ভত এটি তথ্যপূৰ্ণ আলোচনা যুগুত কৰা।

(চ) ভট্টদেৱৰ জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠৰ আধাৰত দুয়োগৰাকী গুৰু-শিষ্যৰ ব্যক্তিত্ব সম্পৰ্কে কি কি জানিব পাৰি, বিচাৰ কৰা।

(জ) অসমীয়া লোক-সাহিত্যত মন্ত্ৰ-সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা কৰি এটি আলোচনা আগবঢ়োৱা।

(ঝ) 'হস্তিবিদ্যাৰ্ণৱ' কি বিষয়ৰ পুথি? পুথিখনৰ বিষয়ে এটি সামগ্ৰিক আলোচনা যুগুত কৰা।

(ঞ) অসমীয়া বুৰঞ্জী সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে এখন ৰচনা লিখা।

★★★